# আবৃত্তিৰ প্ৰসংগত কৰণীয়

আবৃত্তিৰ বাবে পৰিভাষা সমন্ধে শুদ্ধ আৰু স্পষ্ট জ্ঞান আবৃত্তিকাৰে আয়ত্ত কৰাতো গুৰুত্বপূৰ্ণ কাম। পৰিভাষা বুলিলে অৱশ্যে এটা ভাষাৰ ব্যাকৰণৰ পৰিভাষাকে বুজায়। যেনে ঃ বৰ্ণ, ধ্বনি, ছন্দ, যতি, বিৰাম, পৰ্ব, পংক্তি, মাত্ৰা, লয় আদিকে বুজায়। আবৃত্তিকাৰে আবৃত্তি কৰোতে যতি, বিৰাম, মাত্ৰা আদি সংস্থাপনৰ প্ৰতি লক্ষ্য কৰিব লাগে। শব্দবিলাক উচ্চাৰণ কৰোতে শ্বাসাঘাত ৰীতি সমন্ধে আবৃত্তিকাৰ সজাগ হ'ব লাগে। পূৰ্ণ-যতি, অনুযতি বা বিৰাম আদিৰ চলন গতি সমন্ধে আবৃত্তিকাৰ সচেতন হ'ব লাগে। তাৰ উপৰি শব্দৰ আসত্তি, যোগ্যতা ৰাখিহে পাঠ কৰিব লাগে।

আবৃত্তিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে উচ্চাৰণ। কাৰণ শব্দোচ্চাৰণৰ ভিত্তিতে নিৰ্ভৰ কৰে পাঠ্য বিষয়বস্তুৰ ভাব - ৰস। শ্ৰোতাৰ কাণত ইয়াৰ ব্যতিক্ৰম হ'লেই শ্ৰুতিকটু হ'ব আৰু ৰসোপলব্ধিত ব্যাঘ্যাত জন্মাব। গতিকে ৰসোত্তীৰ্ণ কৰাৰ বাবে বহুখিনি বিধি নিবদ্ধ অনুশীলন কৰি আবৃত্তিক কলাত্মকভাৱে পৰিৱেশন কৰিব লাগিব।

আবৃত্তিকাৰে ভাব আৰু ভাষাক সৌহাৰ্দপূৰ্ণ কৰি স্বৰৰ উত্থান-পতনৰ প্ৰতি লক্ষ্য কৰিব পাৰে। কাৰণ কণ্ঠস্বৰৰ প্ৰয়োগ নৈপুণ্যই সামগ্ৰিকভাৱে সকলোকে মোহিত কৰিব পাৰে।

স্বৰৰ এই উঠা-নমা উচ্চাৰণত ভাব আৰু ৰসৰ সামঞ্জস্য ৰাখিবলৈ চেষ্টা কৰিব লাগে।

আবৃত্তিকাৰৰ মুদ্ৰাদোষ অৱশ্যেই আঁতৰাব লাগে। মুদ্ৰাদোষ থকাৰ বাবে উত্তম কণ্ঠস্বৰ, ভাব প্ৰাচুৰ্য আৰু পাঠৰ গভীৰতা থকা সত্বেও সুন্দৰ আবৃত্তি কৰিব নোৱাৰে। অঙ্গ সঞ্চালনক মুদ্ৰাদোষ বুলিলেও অত্যুক্তি কৰা নহ'ব। পাঠক বা আবৃত্তিকাৰে মনত ৰাখিব লাগে যে পাঠ কৰা আৰু অভিনয় কৰা একে নহয়। আবৃত্তিকাৰে গুৰুত্ব দিব লগা কেইটামান দিশ তলত আলোচনা কৰা হ'ল ঃ-

## (ক) শব্দ উচ্চাৰণৰ প্ৰসংগত

শব্দ উচ্চাৰণ পাঠকৰ বাবে এক গুৰুত্বপূৰ্ণ উপাদান। কাৰণ শব্দ উচ্চাৰণত নিৰ্ভৰ কৰে পাঠৰ বিষয়বস্তুৰ ৰস। এই ৰস পাঠৰ বাবে ব্যতিক্ৰম হ'লে শ্ৰোতাৰ মনত ত্ৰুটিপূৰ্ণ হোৱাৰ উপৰিও শ্ৰুতিকটু হ'ব আৰু ৰসোত্তীৰ্ণ নহ'ব। গতিকে আবৃত্তিকাৰে কবিতাৰ আবেদন কেনেদৰে ৰসগ্ৰাহী কৰি তুলিব সেই বিষয়ে কেইটামান কৰণীয় পন্থা উল্লেখ কৰা হ'ল -

শব্দ হ'ল সুনিৰ্দিষ্ট অৰ্থবান ধ্বনিৰ সমষ্টি যি মানুহৰ মুখেদি উচ্চাৰিত হয়, জীৱ-জন্তুৰ মুখেদি উচ্চাৰিত চিৎকাৰ ব্যাকৰণগতভাৱে শব্দ হ'ব নোৱাৰে। কিয়নো জন্তুৱে ভাৱ অনুসৰি সুনিৰ্দিষ্টভাৱে ধ্বনি সমষ্টি উচ্চাৰিত কৰিব নোৱাৰে, যিহেতু মানুহৰ দৰে জীৱ-জন্তুৰ বিবেকৰ উত্তৰণ ঘটা নাই।

অৱশ্যে এই জীৱ-জন্তুৰ চিৎকাৰ অনুকৰণৰ ধ্বনি সমষ্টিক নিৰ্দিষ্ট কৰি মানুহে তৈয়াৰ কৰি ল'ব পাৰে শব্দ (ধ্বনি সমষ্টি)। গতিকে প্ৰথমতে এই শব্দসমূহৰ সুস্পষ্ট উচ্চাৰণ কৰিব লাগিব। এইবাবে প্ৰয়োজন হ'ব আমাৰ জিভা আৰু কাণ ইন্দ্ৰিয়ৰ সচেতনতাবোধ। প্ৰতিটো ধ্বনি উচ্চাৰণৰ বাবে জিভাৰ এটা বিশেষ ভঙ্গীৰ প্ৰয়োজন হ'ব। গতিকে নিয়মিতভাৱে জিভাৰ ব্যায়ামৰ প্ৰয়োজনীয়তা এই ক্ষেত্ৰত বিশেষভাৱে লক্ষণীয়। অস্পষ্ট উচ্চাৰণক প্ৰশ্ৰয় নিদিবৰ বাবে জিভাৰ বিজ্ঞানসম্মত ব্যায়ামৰ অনুশীলনৰ প্ৰয়োজন। শব্দবিলাক উচ্চাৰণ কৰোঁতে মাত্ৰা সংস্থাপন আৰু শ্বাসাঘাত সমন্ধে বিশেষভাৱে সজাগ হ'ব লাগে। শ্ৰুতিমধুৰভাৱে উচ্চাৰণ কৰাৰ প্ৰতি লক্ষ্য কৰিব লাগে। বিকৃত উচ্চাৰণে বিষয়বস্তুৰ ৰস হানি কৰে। অৱশ্যে আখৰ জোঁটনি অনুযায়ী যে সততে উচ্চাৰণ নহয় সেই কথাও মনত ৰখা দৰকাৰ। কিয়নো অসমীয়া ভাষাৰ বৰ্ণমালাও সম্পূৰ্ণৰূপে phonetic alphabet নহয়। অসমীয়া 'ট' নামতহে মূৰ্ধন্য 'ট' বা দন্ত্য 'ত' ও নামতহে বাস্তৱ ক্ষেত্ৰত দুয়োটাৰে উচ্চাৰণ একে আৰু দন্ত্যমূলীয়া। গতিকে দেখা যায় অসমীয়া উচ্চাৰণ অনুযায়ী বানান নহয়। যদিও উচ্চাৰণ অনুসৰি বানান লিখাৰ নীতি হেমচন্দ্ৰ বৰুৱাইও মানি লৈছিল কিন্তু হ্ৰস্বস্বৰ, দীৰ্ঘস্বৰ, দন্ত্য-মূৰ্ধণ্যৰ ক্ষেত্ৰত কোনো স্থিৰ সিদ্ধান্ত লোৱা নহ'ল। গতিকে বানানৰ সৰলীকৰণৰ কথা বাদেই বানানৰ সমস্যা দূৰ হোৱাৰ কোনো অৱকাশেই নাথাকিল। সেইদৰে শ, স, ষ ৰ উচ্চাৰণো মন কৰিবলগীয়া।

আবৃত্তি যাতে শ্ৰোতাৰ কাণত সুন্দৰভাৱে অনুৰণিত হয় তাৰ বাবে হ'লে আবৃত্তিকাৰৰ লাগিব উদাত্ত কণ্ঠৰ উচ্চাৰণভঙ্গী। ভুন্‌ভুনাই পঢ়িলে শ্ৰোতাৰ হৃদয়

আকৰ্ষিত কৰিব নোৱাৰি। সেয়ে সুসংযতভাৱে উচ্চস্বৰে এনদৰে পাঠ কৰিব লাগে যাতে সেই কথা আবৃত্তিকাৰৰ যেন নিজৰেই কথা। স্বৰবিলাকৰ কোনটোক উচ্চ গ্ৰামলৈ লৈ যাব লাগিব, সেয়া অৱশ্যে নিৰূপিত হ'ব কবিতাৰ ভাব আৰু ৰসৰ ভিত্তিতহে। পাঠক বা আবৃত্তিকাৰে লক্ষ্য কৰিব লাগিব সেই উচ্চস্বৰ যাতে আৰ্তচিৎকাৰ নহয়। প্ৰতিটো শব্দ শ্ৰুতিমধুৰভাৱে প্ৰকাশ কৰিব লাগিব।

কবিতাৰ বিষয়বস্তুৰ অৰ্থভাব আবৃত্তিকাৰে আয়ত্ত কৰিব লাগে। শব্দ উচ্চাৰণ কৰোতে সেই শব্দৰ ভাব আৰু অৰ্থ প্ৰকাশৰ প্ৰতি বিশেষভাৱে লক্ষ্য কৰিব লাগে। ছেদচিহ্ন, যতিচিহ্ন, শব্দৰ আসত্তি, যোগ্যতা আদিলৈ মনোনিবেশ কৰিব লাগে।

'দুইৰো দুই / নাহি তুষ্টি /
হানে বজ্ৰ / সম মুষ্টি।।'
আকৌ—— 'কোনোবাই দূৰতে চাই /
কোনোবাই চুই চাই /
চেনেহ কনিকা বুলি /
কৰোঁ তাকে ভুল /'

পাঠ কৰাৰ সময়ত আবৃত্তিকাৰে মনত ৰাখিব লাগিব যে আবৃত্তিৰ মাজেদি স্বাভাৱিক আবেগ সঞ্চাৰিত হৈছেনে নাই। কিয়নো সকলো ৰচনাতে এটা আবেগ থাকেই। যিহেতু -

'আবেগেৰ বন্দী কবি / নোহে নিয়মৰ।।'

অৰ্থাৎ ভয়, উৎকণ্ঠা, আতংক, হৰ্ষ-বিষাদ, ঘৃণা, ব্যঙ্গ প্ৰভৃতি ভাব-ৰাশি বুজিলৈ সেইমতে ৰসানুভূতি সঞ্চাৰ কৰিবলৈ সক্ষম হ'ব পাৰি। উপযুক্ত পৰিৱেশ গঢ়ি তুলিব পাৰিলেহে প্ৰকৃতভাৱে কণ্ঠস্বৰ প্ৰকাশ পায়। নহ'লে আবৃত্তিকাৰ ব্যৰ্থ হ'ব। উচ্চাৰণৰ দিশত আন এটা মনত ৰাখিবলগীয়া কথা যে প্ৰতিটো ভাষাৰে দুটা ৰূপ থাকে এটা কথিত আনটো লিখিত বা সাধুভাষা বা মান্যভাষা। গতিকে আবৃত্তিকাৰে মান্যভাষাৰ লিখিত ৰূপৰ প্ৰতি সচেতনভাৱে লক্ষ্য কৰিহে ধ্বনি উচ্চাৰণ কৰিব লাগে।

অন্যহাতেদি উচ্চাৰণ বিধিৰ নিয়ন্ত্ৰক বাক্‌যন্ত্ৰৰ ক্ৰিয়া কৰ্মৰ প্ৰতি লক্ষ্য কৰিলে দেখা যাব যে হাঁওফাঁওৰ পৰা নিশ্বাস ওলাই আহোতে স্বৰ সৃষ্টিৰ বাসনা ঘোষনলী (vocal chord) বা দুটি স্বৰতন্ত্ৰী প্ৰায় যুক্ত হৈ যায় আৰু এই যুক্ত

স্বৰতন্ত্ৰীকে গ্লটিচ্ বোলে। প্ৰায় যুক্ত গ্লটিচ্‌ৰ সুৰঙাৰে ওলাই অহা নিশ্বাস বাধাপ্ৰাপ্ত
হ'লে স্বৰতন্ত্ৰীত কম্পন হয় আৰু এই কম্পনৰ ফলত যি স্বৰ উৎপন্ন হয় সেয়া মুখ
আৰু নাকেদি ওলাই আহে। তেনেকৈ বতাহ ওলাই আহোঁতে আলজিভা, জিভা,
দন্ত্য, দন্তমূল, মূৰ্দ্ধা আৰু ওঁঠৰ বিভিন্ন স্থানত বাধাপ্ৰাপ্ত হৈ ধ্বনি উচ্চাৰিত হয়
(স্থানান্তৰত চিত্ৰত বৰ্ণিত আছে)।

উচ্চাৰণ বিধিৰ অন্যতম বিষয় হ'ল ছেদবিধি, পূৰ্ণচ্ছেদ, অৰ্দ্ধচ্ছেদ, পাদচ্ছেদ,
দৃষ্টান্তচ্ছেদ, হাইফেন লোপচিহ্ন, উদ্ধৃতি চিহ্ন, বিস্ময় চিহ্ন ইত্যাদি। ছেদচিহ্ন বা
যতিও একপ্ৰকাৰ বিৰতি। শ্বাস গ্ৰহণৰ সুবিধাৰ্থে কবিতাত ছন্দৰ নিৰ্দিষ্ট ৰূপ অনুসাৰে
যতি ব্যৱহৃত হয়। কিন্তু তাৰ অৰ্থ প্ৰকাশৰ বিশেষ সুবিধা নহয়। সেয়ে ইংৰাজী
ভাষাত ছেদক বোলে Logical Pause আৰু যতিক বোলা হয় Poetic Pause
.ছেদ আৰু যতিৰ বাহিৰেও আবৃত্তি আৰু পাঠৰ ক্ষেত্ৰত অনুৰূপ বিৰতি ব্যৱহৃত
হয় যাক বোলা হয় পৰিমাপ (Pace) গতিক্ৰম (Tempo)। কোৱা বাহুল্য যে
আবৃত্তি কৰাৰ বাবে স্বৰবৈচিত্ৰ (PitchVariation), স্বৰ প্ৰাবল্য (Volume),
অনুৰণন (Resonance), স্বৰ বিস্তৃতি (Pitch Range), যতি (Metrical
Pause), স্বৰ ক্ষেপন (Voice Projection), ভাষাৰ নিজস্বসুৰ (Speech
Melody), পংক্তিৰ মাজত পৰ্ব বা পৰ্বাঙ্গ বিভাজন, শ্বাসাঘাত, মাত্ৰা (Moral)
ইত্যাদি সুসমন্বিত কৰাৰ অভ্যাসৰ অতি আৱশ্যক।

শ্বাস-প্ৰশ্বাস গ্ৰহণ নিৰ্গমন ৰীতিৰ অৱশ্যেই আনুপাতিক পৰিবৰ্তন ঘটে।
নিশ্বাস প্ৰশ্বাসত সহায়তা দান আৰু ৰক্ত শোধন কৰা হাওঁফাওঁৰ প্ৰধান কাম।
কিন্তু প্ৰাসঙ্গিকভাৱে আমাৰ মনত থকা দৰকাৰ যে হাঁওফাঁওৱেই বাগধ্বনিৰ
উৎপাদক যন্ত্ৰৰ প্ৰধান কেন্দ্ৰ। ধ্বনিৰ উৎপত্তি আৰু শ্ৰুতিৰ দিশত বাক প্ৰত্যঙ্গ
সমূহৰ মাজত হাঁওফাঁওৰ পিছতেই স্বৰযন্ত্ৰ (Larynx) আৰু স্বৰতন্ত্ৰী (Vocal
Chord) ৰ স্থান। কণ্ঠস্বৰ ভিত্তিক প্ৰয়োগশিল্প আবৃত্তিৰ বাবে বিচিত্ৰ স্বৰভঙ্গী
সৃষ্টিৰ প্ৰয়োজনত বক্ষগহ্বৰৰ নিম্নভাগ আৰু উদৰত বেছি জোৰে শ্বাস গ্ৰহণ কৰা
বিধেয়। স্বাস-নিশ্বাসত স্বাভাৱিকতা আনিবৰ বাবে উদৰ সংক্ৰান্ত পদ্ধতিৰে
স্বাসগ্ৰহণৰ প্ৰাণায়াম উৎকৃষ্ট ব্যায়াম।

আবৃত্তি শিকাৰু বা সাধকৰ তিনিটা স্বৰস্থানত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বৈচিত্ৰ্যৰ
বিষয়ে জনা আৱশ্যক বক্ষস্থান, কণ্ঠস্থান আৰু শিৰস্থান। অনুদাত্ত বা মন্দ্ৰস্বৰ (উদাৰা)
স্বৰিত বা মধ্যস্বৰ (মুদাৰা) উদাত্ত বা তাৰস্বৰ (তাৰা) কম্পিত (কম্পমান স্বৰ)

আৰু উপাংশুভাষ (ফুচফুচাই কোৱা) ইত্যাদি স্বৰৰ বৰ্ণ বিভাজন বিলাকো জনা দৰকাৰ। ইয়াৰ উপৰিও স্বৰৰ ৰং (Tonal Colour) কি আৰু কেনে আৰু স্বৰস্থাপনৰ মানসিকতা বাসনাত কি ভাবে প্ৰয়োগ কৰা আৱশ্যক সেয়াও স্বৰ - সাধকে জনাটো নিতান্তই প্ৰয়োজন। স্বৰৰ বৈশিষ্ট্যপূৰ্ণ (Tonal) কথাৰ সুৰ বা কথাৰ ধৰণৰ (Disrespectful tone) ৰ বৰ্ণগত বৈশিষ্ট্যই স্বৰ ৰং। অৰ্থাৎ সুৰীয়াভাৱে উচ্চাৰণ কৰা বৰ্ণ, বৰ্ণৰ বোল, ৰং, ৰাগ, বৰ্ণ সামঞ্জস্য ৰাখি অংকন বা মুদ্ৰণৰ দ্বাৰা আৰোপিত প্ৰভাবঃ বৰ্ণ প্ৰভাৱ, অতীক্ষ্ণ ৰং ,অতীব্ৰ বৰ্ণ সেয়ে স্বৰ ৰং।

শ্বাস-প্ৰশ্বাসৰ স্বাভাৱিক ক্ৰিয়াত বতাহ মুখৰ ভিতৰলৈ টনা আৰু তৎক্ষণাত এৰি দিয়া হয়। এই ওলাই অহাৰ পথত শ্বাসনলী দুটা (Elastic membrance) আৰু (Vocal chord) ত বাধাপ্ৰাপ্ত হৈ ধ্বনিৰ উৎপত্তি হয়। এই Vocal chord ৰেই আমাৰ গলাৰ কম্পক বা ৰীড। স্বৰসাধনাৰ প্ৰাথমিক পৰ্য্যায়ত তিনিটা অতি প্ৰয়োজনীয় কথালৈ দৃষ্টি নিক্ষেপ কৰিব লাগে। ১) স্বৰতন্ত্ৰীৰ কম্পন Vibration of Vocal chord) ২) কম্পন সৃষ্টিৰ বাবে শ্বাস-প্ৰশ্বাসৰ প্ৰযোজ্য শক্তি ৩) কম্পনজাত স্বৰ বহন কৰাৰ বাবে শ্বাস-নিশ্বাসত বতাহ। এই তিনিটা বিষয় বুজিবলৈ হ'লে মানুহৰ মুখবিৱৰ বিভিন্ন অংগ নাসিকা, শ্বাসনলী, স্বৰযন্ত্ৰ, স্বৰতন্ত্ৰ, সংশ্লিষ্ট স্নায়ুমণ্ডলী হাওঁফাওঁ আৰু ডায়ফ্ৰামৰ সৈতে আবৃত্তিকাৰৰ পৰিচয় থাকিব লাগে। শ্বাস-প্ৰশ্বাসৰ প্ৰধানত তিনিটা প্ৰকাৰ ভেদ আছে -১) প্ৰৱহমান (Tidal) ২) অৱশিষ্ট (Residual) আৰু ৩) অনুপূৰক (Supplemental)। মানুহৰ কথা কোৱা সময়ত শ্বাস-প্ৰশ্বাসৰৰ আনুপাতিক পৰিৱৰ্ত্তন ঘটে। সামুদ্ৰিক ঢৌৰ উত্তাল তৰঙ্গই কেতিয়াবা কবিতাৰ ভাবক উৰ্দ্ধগামী কৰি স্বৰ উচ্চ গ্ৰামলৈ লৈ যায় আকৌ মধ্য গ্ৰামলৈ স্বৰ নামি আহি আকৌ উৰ্দ্ধমুখী হয় সেয়ে আবৃত্তিত টাইডাল বা প্ৰবহমানতা। অসম্পূৰ্ণতা পুৰণৰ অৰ্থে ব্যৱহৃত হয় অনুপূৰক বা সম্পূৰক। অৰ্থাৎ উশাহ এৰি দিওতে যি খালি ঠাই হয় তাক সম্পূৰ্ণ কৰে উশাহ লওঁতে অৰ্থাৎ হাঁওফাঁওত বতাহে শ্বাস নিশ্বাসৰ দ্বাৰাই সম্পূৰণ কৰে।

আমি জানো যে আমাৰ দেশৰ উচ্চাংগ সংগীত শিক্ষাৰ বাবে স্বৰশিক্ষা আৰু স্বৰসাধনা অত্যাৱশ্যকীয়। সংগীতৰ ক্ষেত্ৰত স্বৰসাধনাৰ প্ৰাথমিক স্তৰত হাৰমনিয়াম যন্ত্ৰৰ ব্যৱহাৰৰ সুযোগ-সুবিধাখিনি আবৃত্তিৰ স্বৰ সাধনা শিক্ষাতো গ্ৰহণ কৰা বাঞ্চনীয়। প্ৰত্যেক মানুহৰেই নিজস্ব স্তৰৰ নিৰ্দিষ্ট সুৰসপ্তকেই স্বাভাৱিক স্বৰ ৰূপে অনুৰণন ঘটে। এই স্বাভাৱিকতাকে নিজৰ কণ্ঠত ধৰি ৰখা আৰু

প্ৰয়োজনমতে প্ৰকাশ কৰিব পৰাটোৱেই হ'ল কণ্ঠৰ স্বাভাৱিকতা। কণ্ঠস্বৰক স্বাভাৱিক বিস্তৃতি বিজ্ঞানভিত্তিক অনুশীলনৰ দ্বাৰা অৰ্থমণ্ডিত আৰু শ্ৰুতিমধুৰ কৰি তোলা প্ৰয়োজন। কণ্ঠস্বৰৰ স্বাভাৱিক বিস্তৃতি আৰু বৈচিত্ৰ্যতে আবৃত্তিকাৰৰ ব্যক্তিত্ব প্ৰকাশ পায়। সেয়ে প্ৰত্যেকটি শব্দ আৰু বাক্যৰ ধ্বনিময় অৰ্থ প্ৰকাশ কৰিব লাগে।

সেয়েহে স্বৰক্ষেপনৰ যি পাঁচটা বিধানৰ ( এবডমিন,-লিপ-টাঙ, হুইচপাৰিং, নাজাল, আৰু হেডৰেজিষ্টাৰ) কথা বিশেষজ্ঞসকলে ব্যক্ত কৰে তাৰ ব্যৱহাৰিক প্ৰয়োগ প্ৰক্ৰিয়াবিলাক কণ্ঠ সাধকে জনা দৰকাৰ। প্ৰত্যেক স্বৰেই ধ্বনিময়। এই ধ্বনিময় স্বৰকে ব্যঞ্জনাময় আৰু অৰ্থপূৰ্ণ কৰাই আবৃত্তিকাৰ তথা গায়কৰ কাম।